# REGIONAL NEWS UNIT

## ALL INDIA RADIO, GUWAHATI

0000000000

**Date : 09-06-2024**
**Time :** 18-00 Hrs.

### *ASSAMESE REGIONAL EVENING BULLETIN*

°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°

বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি একেৰাহে তৃতীয়বাৰৰ বাবে দেশৰ প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। ৰাষ্ট্ৰপতি ভৱনত সন্ধিয়া ৭ বাজি ১৫ মিনিটত প্ৰধানমন্ত্ৰী তথা নতুন চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে প্ৰধানমন্ত্ৰী মোদী আৰু মন্ত্ৰী পৰিষদৰ সদস্যসকলক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱাব।

প্ৰধানমন্ত্ৰী পদৰ বাবে মনোনীত হোৱাৰ পাছত নৰেন্দ্ৰ মোদীয়ে শুকুৰবাৰে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ দাবী উত্থাপন কৰে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ নেতৃত্বত এন ডি এ-ৰ এটা প্ৰতিনিধি দলেও ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰে আৰু নৰেন্দ্ৰ মোদীক বিজেপি সংসদীয় দলৰ নেতা হিচাপে বাছনি কৰা বুলি উল্লেখ কৰি এখন পত্ৰ প্ৰদান কৰে। এন ডি এৰ অংশীদাৰ দলসমূহৰ সমৰ্থনৰ পত্ৰও ৰাষ্ট্ৰপতিৰ ওচৰত অৰ্পণ কৰা হয়।

উল্লেখযোগ্য যে, চুবুৰীয়া আৰু ভাৰত মহাসাগৰীয় অঞ্চলৰ  ভালেকেইখন বন্ধু ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপ্ৰধান তথা চৰকাৰ প্ৰধানক এই শপতগ্ৰহণ অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি ৰাণীল বিক্ৰম সিংঘে, মালদ্বীপৰ ৰাষ্ট্ৰপতি ড° মহম্মদ মুইজ্জু, চিচিলিৰ উপ-ৰাষ্ট্ৰপতি অহমদ অফিফ, বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা, মৰিছাচৰ প্ৰধানমন্ত্ৰী প্ৰবীন্দ কুমাৰ জগনৌথ, নেপালৰ প্ৰধানমন্ত্ৰী পুষ্পকমল দাহাল প্ৰচণ্ড আৰু ভূটানৰ প্ৰধানমন্ত্ৰী শ্বেৰিং টোবগে শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব। মালদ্বীপৰ ৰাষ্ট্ৰপতি, ভূটানৰ প্ৰধানমন্ত্ৰী আৰু মৰিচাচৰ প্ৰধানমন্ত্ৰী শপত গ্ৰহণ অনুষ্ঠানত ভাগ লোৱাৰ উদ্দেশ্যে আজি পুৱা নতুন দিল্লীত উপস্থিত হয়। ইফালে, বাংলাদেশৰ প্ৰধানমন্ত্ৰী আৰু চিচিলিৰ উপ-ৰাষ্ট্ৰপতিয়ে শপতগ্ৰহণ অনুষ্ঠানত অংশ লোৱাৰ বাবে ইয়াৰ পূৰ্বে ৰাষ্ট্ৰীয় ৰাজধানী চহৰ নতুন দিল্লীত উপস্থিত হয়।

উল্লেখযোগ্য যে, আকাশবাণী দিল্লীয়ে সন্ধিয়া ৬ বাজি ৪৫ মিনিটৰ পৰা শপতগ্ৰহণ অনুষ্ঠানৰ চলন্ত বিৱৰণী পোনপটীয়াকৈ প্ৰচাৰ কৰিব। এই কাৰ্যসূচী আকাশবাণীৰ এফ এম গোল্ড, ইন্দ্ৰপ্ৰস্থ আৰু আকাশবাণী লাইভ নিউজ চেনেলত শুনিবলৈ পোৱা যাব। আকাশবাণীৰ ইউ টিউব চেনেল, আকাশবাণী এ আই আৰৰ যোগেও এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। অসমৰ শ্ৰোতাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ যোগে এই অনুষ্ঠানত বিৱৰণী আঞ্চলিক ভাষাত প্ৰচাৰ কৰা হ'ব।  একেদৰে আহমেদাবাদ, বেগাংলুৰু, কটক, চেন্নাই, হায়দৰাবাদ, ইম্ফল, কলকাতা, মুম্বাই আৰু তিৰুৱনন্তপুৰম কেন্দ্ৰ যোগেদিও স্থানীয় ভাষাত এই অনুষ্ঠানৰ বিৱৰণী প্ৰচাৰ কৰা হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি সন্ধিয়াৰ আঞ্চলিক বাতৰি ৬ বাজি ৪৫ মিনিটৰ পৰিৱৰ্তে ৬ বাজি ৩০ মিনিটত প্ৰচাৰ কৰা হ'ব। আনহাতে, ৭ বাজি ১০ মিনিটৰ অসমীয়া বাতৰি নিশা ৮ বাজি ৩৫ মিনিটত প্ৰচাৰ কৰা হ'ব। অৱশ্যে শপতগ্ৰহণ কাৰ্যসূচী দীঘলীয়া হ'লে এই কাৰ্যসূচী শেষ হোৱাৰ লগে লগে বাতৰি প্ৰচাৰ কৰা হ'ব।

০০০০

বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰখনৰ শপত গ্ৰহণৰ পূৰ্বে আজি ভাৰপ্ৰাপ্ত প্ৰধানমন্ত্ৰী তথা এন ডি এৰ সংসদীয় দলৰ নেতা নৰেন্দ্ৰ মোদীয়ে লোককল্যাণ মাৰ্গত থকা প্ৰধানমন্ত্ৰীৰ বাসগৃহত মন্ত্ৰীসভাৰ সাম্ভাব্য সদস্য সাংসদসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বিশেষ সূত্ৰ অনুযায়ী বৈঠকখনত অমিত শ্বাহ, ৰাজনাথ সিং, নীতিন গাডকাৰী, জে পি নাড্ডা, নিৰ্মলা সীতাৰমন, জ্যোতিৰাদিত্য সিন্ধিয়া, মনসুখ মন্দাভিয়া, হৰদীপ সিং পুৰী, কিৰেন ৰিজিজু, সৰ্বানন্দ সোণোৱাল, ডাঃ জিতেন্দ্ৰ সিং, জে কিষাণ ৰেড্ডী, অন্নপুৰ্ণা দেৱী, সাৱিত্ৰী ঠাকুৰ, অশ্বিনী বৈষ্ণৱ, এছ জয়শংকৰ, পীয়ুষ গ'ৱেল, প্ৰাহ্লাদ যোশী, অনুপ্ৰিয়া পেটেলকে ধৰি ভালেকেইজন আগশাৰীৰ নেতা উপস্থিত থাকে।

উল্লেখযোগ্য যে, নৱনিৰ্বাচিত কেন্দ্ৰীয় চৰকাৰৰ আজিৰ শপতগ্ৰহণ অনুষ্ঠানত ডিব্ৰুগড়ৰ সাংসদ সৰ্বানন্দ সোণোৱালে মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। ইফালে, অসমৰ ৰাজ্যসভাৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা আৰু অৰুণাচল পশ্চিম লোকসভা সমষ্টিৰ সাংসদ কিৰেন ৰিজিজুৱেও মন্ত্ৰী পৰিষদত স্থান লাভ কৰাৰ সম্ভাৱনা আছে। এন ডি এ মিত্ৰজোঁটৰ পৰা বিহাৰৰো কেইবাগৰাকীও সাংসদে কেন্দ্ৰীয় মন্ত্ৰীসভাত স্থান লাভ কৰাৰ সম্ভাৱনা আছে।

এই সন্দৰ্ভত আকাশবাণীৰ সংবাদদাতা মানস প্ৰতীম শৰ্মাই এইদৰে কয় -

০০০০

সমাপ্ত